# বীৰ লাচিতৰ আদৰ্শ হওঁক
## অসমৰ জাতি, মাটি, ভেতি ৰক্ষাৰ সংগ্ৰামৰ মুল অস্ত্ৰ

শ্ৰী প্ৰিয় কুমাৰ কলিতা
জেষ্ঠ সহায়ক,
মহকুমাধিপতিৰ কাৰ্য্যালয়,
শালবাৰী

চন্দ্ৰ বসুধা তাৰকা তপন
আছে মানে জগতত ।
লাচিত বৰফুকনৰ দেশপ্ৰেমৰ কিৰ্তী
অমৰ এই মৰতত ।।

<u>পাতনি</u> : অসমৰ জাতীয় বীৰ, অসমীয়াৰ সৌৰ্য-বিৰ্য্যৰ প্ৰতিক লাচিত বৰফুকন হ'ল আমাৰ সাহস আৰু প্ৰেৰণাৰ উৎস । লাচিত বৰফুকন দেৰৰ বিৰল ত্যাগ, চৰম দেশপ্ৰেম, অসিম সাহস আৰু কৰ্ত্তব্যৰ প্ৰতি থকা দায়বদ্ধতা, নিষ্ঠা, সততা আৰু একাগ্ৰতাক মুল্যায়ন কৰাটো, বিশ্লেষণ কৰাটো আৰু সামাজিক জীৱনত পালন কৰিব বিচৰাটো প্ৰতিজন অসমীয়াৰ বাবে এটা সামাজিক দ্বায়ীত্ব আৰু কৰ্ত্তব্য। সাম্প্ৰতিক সময়ত অসমীয়াৰ মাজত নিজৰ অস্তিত্ব ৰক্ষাৰ যি সংগ্ৰাম চলি অহা পৰিলক্ষিত হৈছে, এই সংগ্ৰামত জয়ী হবলৈ হ'লে প্ৰতিজন অসমীয়াই লাচিতৰ আদৰ্শৰে আগ বাঢ়িব লাগিব। লাচিত বৰফুকন দেৰে অসমীয়া জাতীটোৰ মুল্যবোধৰ ভেতিটো শক্তিশলী কৰি থৈ গ'ল যাৰ বাবে আজি আমি সগৌৰবে কব পাৰিছো- 'লাচিতৰ দেশৰ সন্তান আমি, আমাৰ দেহত লাচিতৰ তেজ আছে। আমাৰ মৰিবলৈও ভয় নাই'।

<u>লাচিতৰ দেশপ্ৰেম</u> : লাচিত বৰফুকন লাচিত বৰফুকন
মোৰ স্বদেশৰ বীৰ।
দেশৰ কাৰণে তাহানি এদিন
যাচিলা নিজৰ শিৰ।।
দেশৰ কাৰণে মুক্তিৰ হকে
অন্যায় ৰোধি বীৰ।
নৰ শোণিতেৰে কৰিলা আতৰি
নিজ দেশৰ জয়শ্ৰীৰ।।

লাচিত বৰফুকন আছিল অতি সাহসী, নিৰ্ভিক আৰু দেশপ্ৰেমত উদ্বুদ্ধ এগৰাকী আহোম ৰজাৰ দিনৰ মহান বীৰ। আহোম ৰজা চক্ৰধ্বজ সিংহই লাচিতৰ দেশপ্ৰেমত মুগ্ধ হৈ তেওক আহোম সেনাৰ বৰসেনাপতি পাতি দেশ ৰক্ষাৰ দ্বায়ীত্বভাৰ অৰ্পণ কৰিছিল। বিদেশী শত্ৰুৰ কবলৰ পৰা দেশ ৰক্ষা কৰিবলৈ লাচিতে একে ৰাতিতে এটা গড় বন্ধা কাম সম্পুৰ্ণ কৰি তুলিছিল যিটো গড় নিৰ্মাণৰ কামত হেমাহী কৰাৰ বাবে আনকি তেওঁ নিজৰ মোমায়েককো শিৰচ্ছেদ কৰিছিল। ১৬৭১ চনৰ মাৰ্চ মাহত সংঘটিত হৈছিল বুৰঞ্জিপ্ৰসিদ্ধ শৰাইঘাটৰ ৰণ। সেই সময়ত লাচিতৰ টান নৰিয়া জ্বৰ। সেনাপতি লাচিত বৰফুনৰ গা বেয়া বুলি জানিব পাৰি আসমীয়া সৈন্য সকলৰ মনোবল কমি আহিবলৈ ধৰিছিল। তাকে দেখি লাচিত বৰফুকনে নৰিয়া গাৰে নাওঁ মেলি দিলে আৰু চিঞৰি চিঞৰি কবলৈ ধৰিলে “অসমীয়া বণুৱাসকল, মই যুঁজিহে মৰিম। চিলা পৰ্বতৰ ওপৰত মাটি কিনি থৈছো, তাতে মোৰ শটো থ'বা, নাইবা মোক বঙালে ধৰি লৈ যাওক, তোমালোকে সুখেৰে ঘৰলৈ যাবা। লাচিতৰ এই মৃত্যুপন শুনি অসমীয়া সৈন্যসকলৰ গালৈ তেজ আহিল। তেওঁলোকে অধিক মনোবল আৰু সাহসেৰে যুঁজি মোগল সকলক পৰাজিত কৰিছিল। দেশৰ কাৰণে লাচিত বৰফুকনে নিজৰ আনকি দেহৰ কথা এবাৰো ভবা নাছিল।

**<u>দেশৰ হ'কে লাচিতৰ ত্যাগ</u>** : গড় বন্ধা কামত হেমাহী কৰাৰ বাবে লাচিত বৰফুকনে নিজৰ মোমায়েকক শিৰচ্ছেদ কৰিছিল। মামা ভাগিনৰ সম্পৰ্ক বুলিলে কবলৈ নাই। মামা ভাগিন একেলগে থাকিলে বোলে হাবিৰ হিংস্ৰ বাঘ-সিংহয়ো পিচ হুহকি যায়। ল'ৰা-ছোৱালীৰ একেবাৰে মৰমৰ আৰু আপোন শব্দটো হ'ল মামা। স্কুলৰ গৰমৰ বন্ধৰ সময়ত ল'ৰা-ছোৱালী সকলে ফুৰিবলৈ যাব বিচৰা আপোন ঘৰখনেই হ'ল মামাৰ ঘৰ। অসমীয়া সমাজত শিশুসকলক প্ৰথম ভাতগ'ৰা খুৱাই দিয়ে মোমায়েকে। অসমীয়া মানুহৰ মাক-দেউতাক তুকালে শ্ৰাদ্ধকালিন সময়ত প্ৰথম খাদ্য (যাক অসমীয়া সমাজত যাচা বুলি কোৱা হয়) আগবঢ়ায় মামা বা ভাগিনে। আজি অসমত জনহিতাৰ্থে দিন-ৰাত একাকাৰ কৰি কাম কৰাৰ বাবে আদৰ, শ্ৰদ্ধা আৰু মৰমতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়কো মামা বুলিয়েই কয়। এনেকুৱা এটা মৰমৰ বান্ধোন থকাৰ পিছতো লাচিত বৰফুকনদেৱে দেশতকৈ মোমাই

ডাঙৰ নহয় বুলি আপোন মামা জনকো শিৰচ্ছেদ কৰিবলৈ কুণ্ঠাবোধ নকৰিলে। এয়া আছিল দেশৰ কাৰণে থকা তেখেতৰ চৰম ত্যাগৰ নিদৰ্শণ।

**কৰ্ত্তব্যৰ প্ৰতি থকা লাচিতৰ দায়বদ্ধতা আৰু নিষ্ঠা :** লাচিত বৰফুকনৰ কৰ্ত্তব্যৰ প্ৰতি থকা নিষ্ঠা আৰু দায়বদ্ধতাৰ কাৰণে আহোম ৰজাৰ ঘোৰা বৰুৱা পদৰ পৰা ক্ৰমে দুলীয়া বৰবৰুৱা, শিমলুগুৰীয়া ফুকন, দোলা কাষৰীয়া বৰুৱা আদি পদ লাভ কৰিবলৈ সক্ষম হৈছিল। নিজৰ দেশপ্ৰেম আৰু কৰ্ম দক্ষতাৰ বাবে লাচিতে লাভ কৰিছিল আহোম ৰজাৰ ফুকনলুং পদবী। দোলা কাষৰীয়া বৰুৱা পদত তাকোতে লাচিতৰ কৰ্ত্তব্য-নিষ্ঠা চাওঁফাৰ চকুত পৰিছিল। এদিনাখন কথা দোলাত বহি থকা চাওঁফাই লাচিতক মাতি আনি কলে-

"বঙাল শত্ৰু কাষতে আছে, কেনেকৈ ছৈয়দ
ফিৰোজ আৰু ছৈয়দ চালাকাক ধৰিব পৰি।"

লাচিতে উত্তৰ দিলে-

"চাওঁফাৰ ৰাজ্যত মানুহ নাই নেকি?
মানুহহে! আমাৰ ৰাজ্যত নোলাব নেকি তেনে মানুহ।
চাওঁফাই আদেশ দিবহে লাগে।"

এই কথা শুনি ৰজাৰ খুব ভাল লাগিছিল আৰু লাচিতক ফুকনলুংৰ ভাৰ অৰ্পণ কৰিছিল। আহোম ৰজা চক্ৰধ্বজ সিংহৰ পৰা বৰফুকন পদ লাভ কৰাৰ পিছত লাচিতে দেশৰ সুৰক্ষাৰ কাৰণে নিৰ্দিষ্ট স্হানত গড় বন্ধা, সেনাৰ চাউনি স্হাপন কৰা আদি সকলো কাম নিজৰ তত্ত্বাৱধানত সমাপন কৰিছিল। কৰ্ত্তব্যৰ প্ৰতি দায়বদ্ধ হোৱা হেতুকে এইজনা বীৰ সেনাপতিয়ে নৰীয়া গাৰে হলেও মোগলৰ লগত যুঁদ্ধ কৰি অসমীয়াৰ মান-যশস্যা ৰক্ষা কৰিব পাৰিছিল।

**কৰ্ত্তব্যৰ প্ৰতি থকা লাচিতৰ সততা আৰু একাগ্ৰতা :** লাচিত বৰফুকন এজন কৰ্ত্তব্য পৰায়ন সেনাপতি আছিল। বৰফুকন হিচাপে দেশৰ প্ৰতিৰক্ষাৰ সকলো কাম তেওঁ সততা আৰু একাগ্ৰতাৰে পালন কৰিছিল। লাচিত দোলাকাষৰীয়া বৰুৱা হৈ থকা সময়ত আহোম ৰজাৰ প্ৰধান সেনাপতিৰ বাবে এজন উপযুক্ত ব্যক্তিৰ প্ৰয়োজন হোৱাত লাচিতক ৰাজ সভালৈ মাতি অনা হ'ল। লাচিত আহি স্বৰ্গদেউক অভিবাদন জনাই থকাৰ সময়তে লগুৱা এজনে তেওঁৰ মুৰৰ পাগুৰিটো পিছফালৰ পৰা খুলি লৈ যোৱা কথাত তেওঁ

অপমানবোধ কৰি ৰজাৰ সন্মুখতে লাচিতে লগুৱা জনক কাতিবলৈ উদ্যত হয়। নিজৰ পদমৰ্য্যদাৰ প্ৰতি থকা আত্মসচেতনতা আৰু সন্মানবোধৰ বাবে প্ৰশংসা কৰি ৰজাই নিজ হাতেৰে সোনৰ মুঠিযুক্ত হেংদান উপহাৰ দি লাচিতক বৰফুকন পাতি মোগলক ভেটিবলৈ দায়িত্বভাৰ অৰ্পণ কৰিছিল। বৰফুকনৰ দায়িত্ব গ্ৰহন কৰিয়েই লাচিতে একাগ্ৰতাৰে সকলো সেনাপ্ৰধানৰ লগত যোগাযোগ ৰক্ষা কৰিছিল আৰু মোগলক ভেটিবলৈ গড় বন্ধাকে আদি কৰি বিভিন্ন পৰিকল্পনা কৰিছিল। আনকি গড় বন্ধা কামত হেমাহী কৰা বাবে তেওঁ নিজৰ মোমায়েককো শিৰচ্ছেদ কৰিছিল।

**<u>সামৰণি</u> :** অসমীয়া সত্তাৰ সৈতে জৰিত এটা অতি পৰিচিত নাম লাচিত বৰফুকন। অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অসমীয়া মানুহৰ মাজত দেশপ্ৰেম চেতনা জগাই তুলিবলৈ, নিজৰ দেশৰ প্ৰতি, নিজৰ জাতিটোৰ প্ৰতি সমাজৰ সকলো শ্ৰেনীৰ মানুহক দায়বদ্ধ কৰিবলৈ আৰু অসমীয়া মানুহক ত্যাগী, সৎ, নিষ্ঠাবান কৰাৰ লক্ষ্যৰে লাচিত বৰফুকনদেৱৰ স্মিতী জীৱন্ত কৰি তুলিবলৈ লোৱা পদক্ষেপ সচাঁকৈ প্ৰসংশনীয় আৰু সলাগিবলগীয়া। জনগণৰ মাজত দেশপ্ৰেম, সততা আৰু কৰ্ত্তব্যনিষ্ঠা জগাই তুলিবলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী জনাৰ এই মহান পদক্ষেপে প্ৰতিজন অসমীয়াক গৌৰবান্বীত কৰি তুলিব যে-

অ' বন্ধু আমি অসমীয়া,
লুইত পৰীয়া আমি অসমীয়া,
লাচিতৰ দেশৰ আমি অসমীয়া,
স্বদেশপ্ৰেম আমাৰ চিৰ যুগমীয়া।

--- --- ---